অধ্যায় ৯ : বুৰঞ্জীৰ গদ্য

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বুৰঞ্জী সাহিত্য
১.৩.১ সাধাৰণ আলোচনা
৯.৪ বুৰঞ্জী সাহিত্যৰ গদ্যশৈলী
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্রগতিৰ খতিয়ান
৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বুৰঞ্জী সাহিত্যৰ উৎপত্তি, বিকাশ আৰু গুৰুত্বৰ বিষয়ে জানিব পাৰিব।
- অসমৰ ইতিহাস সংৰক্ষণত আহোমসকলৰ অৱদান সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- বুৰঞ্জী শব্দৰ অর্থ আৰু উৎপত্তি সম্পর্কে বিভিন্ন পণ্ডিতৰ মতামত বুজিব পাৰিব।
- ৰাজকীয় আৰু ব্যক্তিগত বুৰঞ্জীৰ বৈশিষ্ট্যসমূহ সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব।
- বুৰঞ্জী সাহিত্যৰ ঐতিহাসিক, সামাজিক আৰু সাহিত্যিক মূল্য উপলব্ধি কৰিব পাৰিব।
- অসমীয়া গদ্য সাহিত্যৰ বিকাশত বুৰঞ্জীৰ অৱদান বুজিব পাৰিব।
- বুৰঞ্জীৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ সম্বন্ধে জানিব পাৰিব।
- মধ্যযুগীয় অসমৰ সমাজ, সংস্কৃতি আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

৯.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি *গুৰু-চৰিত কথা*ৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱৰ জীৱন, কর্ম, আদর্শ আৰু একশৰণ নামধর্মৰ প্রচাৰৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিছিলোঁ। সেই পাঠৰ জৰিয়তে শংকৰদেৱৰ শৈশৱ, শিক্ষাজীৱন, তীর্থ-যাত্রা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্রত তেওঁৰ অৱদান আৰু সমাজ-সংস্কাৰমূলক চিন্তাধাৰাৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে সেই সময়ৰ অসমৰ সমাজ, সংস্কৃতি আৰু ধর্মীয় জীৱনৰো এক সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি অসমৰ মধ্যযুগীয় সাহিত্যৰ এক উল্লেখযোগ্য ধাৰা— বুৰঞ্জী সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিম। ইয়াত বুৰঞ্জী সাহিত্যৰ উৎপত্তি, বিকাশ, শ্রেণীবিভাগ আৰু সাহিত্যিক-ঐতিহাসিক গুৰুত্বৰ বিষয়ে জানিব পাৰিম। লগতে অসমৰ ইতিহাস সংৰক্ষণত আহোমসকলৰ ভূমিকা, বুৰঞ্জী শব্দৰ

অর্থ আৰু উৎপত্তি, ৰাজকীয় আৰু ব্যক্তিগত বুৰঞ্জীৰ বৈশিষ্ট্য, বুৰঞ্জীৰ গদ্যশৈলী আৰু অসমীয়া গদ্য সাহিত্যৰ বিকাশত ইয়াৰ অৱদানৰ বিষয়েও সম্যক জ্ঞান লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে মধ্যযুগীয় অসমৰ সমাজ, সংস্কৃতি, ৰাজনীতি আৰু ইতিহাসৰ বিভিন্ন দিশৰ সৈতে পৰিচিত হোৱাৰ উপৰিও বুৰঞ্জী সাহিত্যৰ মূল্য আৰু তাৎপর্য উপলব্ধি কৰিব পাৰিম।

৯.৩ বুৰঞ্জী সাহিত্য

অসমীয়া সাহিত্যৰ মধ্যযুগীয় পর্যায়ত বুৰঞ্জী সাহিত্যই এক স্বতন্ত্র আৰু সন্মানজনক স্থান অধিকাৰ কৰি আছে। অসমীয়া সাহিত্যক সমৃদ্ধ কৰি তোলাত বুৰঞ্জী সাহিত্যৰ বিশেষ ভূমিকা আছে আৰু এই ক্ষেত্রত আহোমসকলৰ অৱদান অনস্বীকার্য। অসমৰ ইতিহাস লিখিত ৰূপত সংৰক্ষণ কৰাৰ পৰম্পৰা আৰম্ভ কৰাৰ কৃতিত্ব মূলতঃ আহোমসকলৰ। বুৰঞ্জীৰ তথ্য অনুসৰি, ত্রয়োদশ শতিকাৰ তৃতীয় দশকত স্বর্গদেউ চুকাফাই পাটকাই পর্বত অতিক্রম কৰি অসমত উপস্থিত হোৱাৰ পিছতেই তিনিজন পণ্ডিতক ইতিহাস লিপিবদ্ধ কৰাৰ দায়িত্ব অর্পণ কৰিছিল।

এই তথ্যৰ পৰা অনুমান কৰিব পাৰি যে অসমত বুৰঞ্জী ৰচনাৰ সূচনা ত্রয়োদশ শতিকাৰ পৰাই হৈছিল। আৰম্ভণিতে আহোমসকলে তেওঁলোকৰ নিজা টাই ভাষাত বুৰঞ্জী লিখিছিল। কিন্তু অসমত স্থায়ীভাৱে বসবাস আৰম্ভ কৰাৰ পিছত তেওঁলোকে স্থানীয় জনগোষ্ঠীৰ সৈতে সামাজিক আৰু বৈবাহিক সম্পর্ক গঢ়ি তোলে আৰু ধীৰে ধীৰে অসমীয়া ভাষাক গ্রহণ কৰে। ফলত ষোড়শ শতিকাৰ পৰা টাই ভাষাৰ লগতে অসমীয়াতো বুৰঞ্জী ৰচনা আৰম্ভ হয়। কেৱল সাহিত্যিক ক্ষেত্রতেই নহয়, শাসন ব্যৱস্থাৰ সুবিধাৰ বাবেও অসমীয়া ভাষাক কার্যকৰী ভাষাৰ মর্যাদা দিয়া হয়। বিশেষকৈ চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্বকালত এই ব্যৱস্থা অধিক সুদৃঢ় হয়। সেই সময়ত লিখিত বংশাৱলী বা বুৰঞ্জীৰ সহায়ত নিজৰ বংশমর্যাদা প্রতিপন্ন কৰিব পৰা ব্যক্তিসকলক ৰাজকীয় স্বীকৃতি প্রদান কৰি 'জাতুৱা আহোম' হিচাপে গণ্য কৰা হৈছিল। এই কাৰণে বহু সম্ভ্রান্ত পৰিয়ালে নিজৰ বংশবৃত্তান্ত লিপিবদ্ধ কৰাৰ প্রতি আগ্রহ দেখুৱায়। ইয়াৰ ফলস্বৰূপে অসমীয়া ভাষাত বুৰঞ্জী ৰচনাৰ এক সুদীর্ঘ ধাৰা গঢ় লৈ উঠে।

'বুৰঞ্জী' শব্দটো টাই ভাষাৰ পৰা অহা বুলি ধৰা হয়। ইয়াৰ উৎপত্তি আৰু অর্থ সম্পর্কে বিভিন্ন পণ্ডিতে বিভিন্ন ব্যাখ্যা আগবঢ়াইছে। হেমচন্দ্র গোস্বামীৰ মতে, 'বু' মানে মূর্খ, 'ৰণ' মানে শিক্ষা আৰু 'জি' মানে ভঁৰাল; অর্থাৎ বুৰঞ্জী হৈছে অজ্ঞ লোকৰ শিক্ষাৰ ভঁৰাল। সূর্যকুমাৰ ভূঞা আৰু প্রিয়ার্চন চাহাবেও এই মত সমর্থন কৰিছে। আনহাতে লীলা গগৈয়ে 'পু-লান-চি' শব্দৰ পৰা 'বুৰঞ্জী' শব্দৰ বিকাশ হোৱা বুলি মত প্রকাশ কৰিছে। তেওঁৰ মতে, ভৱিষ্যৎ প্রজন্মৰ বাবে লিখি থোৱা নথি-পত্রই বুৰঞ্জী।

আহোমসকলে বুৰঞ্জী ৰচনা কৰাৰ মূল উদ্দেশ্য আছিল তেওঁলোকৰ বংশধৰসকলক জাতীয় জীৱনৰ উল্লেখযোগ্য ঘটনাবোৰৰ সৈতে পৰিচিত কৰা আৰু তেওঁলোকক অনুপ্রাণিত কৰা। অতীতৰ অভিজ্ঞতা আৰু জ্ঞান সংৰক্ষণ কৰি ভবিষ্যৎ প্রজন্মক পথ প্রদর্শন কৰাৰ ক্ষেত্রতো বুৰঞ্জীক গুৰুত্বপূর্ণ বুলি গণ্য কৰা হৈছিল। সেইদৰে বুৰঞ্জীসমূহ অতীতৰ মূল্যৱান জ্ঞানৰ আধাৰ হিচাপে পৰিগণিত হৈছে।

আহোম শাসন ব্যৱস্থাত বুৰঞ্জী প্রণয়ন এক গুৰুত্বপূর্ণ প্রশাসনিক দায়িত্ব আছিল। বুৰঞ্জী ৰচনাৰ লগতে ইয়াৰ অধ্যয়নকো শিক্ষাৰ এক অবিচ্ছেদ্য অংশ হিচাপে বিবেচনা কৰা হৈছিল। আহোম জাতিৰ ঐতিহ্য, গৌৰৱ, কৃতিত্ব আৰু বংশবৃত্তান্তৰ বিস্তৃত পৰিচয় এই বুৰঞ্জীসমূহৰ জৰিয়তেই পোৱা যায়। সম্ভ্রান্ত

আহোম পৰিয়ালসমূহে নিজৰ ঘৰতে বুৰঞ্জী সংৰক্ষণ কৰিছিল। ৰাজপৰিয়ালৰ সদস্যসকলৰ বাবে দেশৰ ইতিহাস, শাসনব্যৱস্থা, ৰাজকার্য আৰু উল্লেখযোগ্য ঘটনাসমূহৰ বিষয়ে জ্ঞান লাভ কৰাটো একপ্ৰকাৰ কৰ্তব্য আছিল।

বুৰঞ্জীসমূহ বিশেষ ভঁৰালত সযতনে সংৰক্ষণ কৰা হৈছিল আৰু বিজ্ঞ পণ্ডিতসকলৰ দ্বাৰা লিখোৱা হৈছিল। আৰম্ভণিতে চিৰিংফুকন আৰু বৰচিৰিং বৰুৱাৰ তত্বাৱধানত চিৰিংখেলৰ লোকসকলে এই কাম সম্পাদন কৰিছিল। পৰৱৰ্তী সময়ত মোহন আৰু বাইলুঙৰ অধীনতো বুৰঞ্জী প্ৰস্তুতৰ কাম চলিছিল। অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ বাবে 'লেখাৰু' নামৰ এক বিশেষ খেল নিয়োজিত আছিল। বুৰঞ্জীৰ শুদ্ধতা আৰু সংৰক্ষণ নিশ্চিত কৰিবলৈ প্ৰথমে ৰাজমন্ত্ৰী আৰু পিছলৈ বৰবৰুৱাক ইয়াৰ দায়িত্ব অৰ্পণ কৰা হৈছিল।

আহোম বুৰঞ্জীৰ আৰম্ভণিতে ইষ্টদেৱতাৰ বন্দনা কৰাৰ এক প্ৰথা আছিল। ইয়াৰ পৰা তেওঁলোকৰ ধৰ্মীয় বিশ্বাস আৰু সাহিত্যিক পৰম্পৰাৰ আভাস পোৱা যায়।

বুৰঞ্জীসমূহ সাধাৰণতে দুটা ভাগত বিভক্ত— ৰাজকীয় আৰু ব্যক্তিগত। ৰাজপৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জীসমূহক ৰাজকীয় বুৰঞ্জী বোলা হয়। এইসমূহত আহোম ৰজাসকলৰ বংশাৱলী, ৰাজত্বকালৰ ঘটনাবলী, ৰাজকীয় চিঠিপত্ৰ, যুদ্ধৰ প্ৰতিবেদন, বিভিন্ন বিষয়াৰ তথ্য আৰু কটকীসকলৰ প্ৰতিবেদন আদি সন্নিবিষ্ট থাকে। ৰাজকীয় সম্পত্তি হো�ৰাৰ বাবে এই বুৰঞ্জীসমূহত সাধাৰণতে লেখকৰ নাম উল্লেখ কৰা হোৱা নাছিল।

আনহাতে বহু অনুৰাগী ব্যক্তিয়ে ব্যক্তিগত বা সামাজিক স্বাৰ্থত ব্যক্তিগত বুৰঞ্জী ৰচনা কৰিছিল। এই শ্ৰেণীৰ বুৰঞ্জীৰ ভিতৰত আতন বুঢ়াগোহাঁইৰ 'বাঁহগড়ীয়া বুঢ়া গোহাঁই বুৰঞ্জী' বিশেষভাৱে উল্লেখযোগ্য। পিছলৈ সূর্যকুমাৰ ভূঞাই ইয়াক 'দেওধাই অসম বুৰঞ্জী' নামে প্ৰকাশ কৰে। ইয়াৰ উপৰিও শ্ৰীনাথ দুৱৰাৰ 'তুংখুঙীয়া বুৰঞ্জী' আৰু 'জয়ন্তীয়া বুৰঞ্জী' আদি এই ধাৰাৰ গুৰুত্বপূৰ্ণ নিদৰ্শন।

বুৰঞ্জীসমূহ পদ্য আৰু গদ্য—উভয় ৰূপতে ৰচিত হৈছিল। যদিও পদ্য বুৰঞ্জীৰ সংখ্যা অতি সীমিত। এতিয়ালৈকে উদ্ধাৰ হোৱা পদ্য বুৰঞ্জীৰ ভিতৰত বিশ্বেশ্বৰ বিদ্যাপতিৰ 'অসমৰ পদ্য বুৰঞ্জী', দুতিৰাম হাজৰিকাৰ 'কলি ভাৰত বুৰঞ্জী' আৰু হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত 'দৰং ৰাজবংশাৱলী' বিশেষভাৱে উল্লেখযোগ্য। আনহাতে গদ্য বুৰঞ্জীৰ সংখ্যাই যথেষ্ট বেছি। এতিয়ালৈকে প্ৰায় ডেৰশমান বুৰঞ্জী উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত 'আসাম বুৰঞ্জী পুথি', 'অসম বুৰঞ্জী', 'কামৰূপৰ বুৰঞ্জী', 'দেওধাই অসম বুৰঞ্জী', 'তুংখুঙীয়া বুৰঞ্জী', 'পাদশ্যাহ বুৰঞ্জী', 'জয়ন্তীয়া বুৰঞ্জী', 'ত্ৰিপুৰা বুৰঞ্জী', 'সাতসৰী অসম বুৰঞ্জী', 'বাৰভূঞাৰ বুৰঞ্জী', 'শৰাইঘাটৰ যুদ্ধৰ কথা' আদি উল্লেখযোগ্য।

মধ্যযুগীয় ভাৰতীয় সাহিত্যৰ ক্ষেত্ৰত বুৰঞ্জীসমূহ এক অনন্য আৰু অতুলনীয় সম্পদ। ইতিহাসবিদ ছাৰ এডৱার্ড গেইটে এই বুৰঞ্জীসমূহক অতি বিশ্বাসযোগ্য বুলি মন্তব্য কৰিছে। কাৰণ এইসমূহ বাস্তৱ ঘটনাৰ আধাৰত ৰচিত। আহোম যুগৰ বিভিন্ন ঘটনা কালানুক্ৰমে ইয়াত সন্নিবিষ্ট কৰা হৈছে। শক, মাহ, তাৰিখ, বাৰ, তিথি, দণ্ড, পল আদি সময়-সংক্ৰান্ত তথ্যও স্পষ্টভাৱে উল্লেখ কৰা হৈছে। ইয়াৰ ফলত সেই সময়ৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ সম্পৰ্কে সুস্পষ্ট ধাৰণা লাভ কৰা যায়।

ইতিহাসৰ মূল্যবান তথ্যভাণ্ডাৰ হোৱাৰ উপৰিও বুৰঞ্জীসমূহ সাহিত্যিক গুণেৰে সমৃদ্ধ। ইতিহাস আৰু সাহিত্যৰ এক মনোমোহা সমন্বয় এই ৰচনাসমূহত দেখা যায়। সূর্যকুমাৰ ভূঞাৰ মতে, বুৰঞ্জীৰ বিষয়বস্তু কেৱল শুকান তথ্যৰ সমষ্টি নহয়; ইয়াত ভাব, অনুভূতি আৰু আবেগৰো সুন্দৰ প্ৰকাশ আছে। সেইবাবে বুৰঞ্জীক কেৱল ইতিহাসৰ পৰিসৰত সীমাবদ্ধ নাৰাখি সাহিত্যৰ অন্তর্গত বুলিও বিবেচনা কৰা হয়। লীলা গগৈয়েও মত প্ৰকাশ কৰিছে যে অসমীয়া বুৰঞ্জী কেৱল তথ্যৰ টোপোলা নহয়, বৰং সাহিত্যৰ এক সোৱাদযুক্ত সম্পদ। মহেশ্বৰ নেওগৰ মতে, বুৰঞ্জীসমূহ সাহিত্যিক বৈশিষ্ট্যসম্পন্ন ৰচনা য'ত বহু স্থানত নান্দনিক আৰু ৰসাত্মক সৌন্দর্য অনুভৱ কৰিব পাৰি।

W অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : অসমৰ ইতিহাস লিখিত ৰূপত সংৰক্ষণ কৰাৰ পৰম্পৰা কোনসকলে আৰম্ভ কৰিছিল?

.....

প্ৰশ্ন নং ২ : ষোড়শ শতিকাৰ পৰা টাই ভাষাৰ লগতে অসমীয়াতো বুৰঞ্জী ৰচনা কিয় আৰম্ভ হৈছিল?

.....

প্ৰশ্ন নং ৩ : হেমচন্দ্ৰ গোস্বামীৰ মতে 'বুৰঞ্জী' শব্দৰ অর্থ কি?

.....

প্ৰশ্ন নং ৪ : বুৰঞ্জীসমূহ সাধাৰণতে কোন দুটা ভাগত বিভক্ত?

.....

প্ৰশ্ন নং ৫ : বুৰঞ্জীক কেৱল ইতিহাস নহয়, সাহিত্য বুলিও কিয় গণ্য কৰা হয়?

.....

৯.৩.১ সাধাৰণ আলোচনা

বুৰঞ্জীৰ গদ্য সাহিত্যিক গুণেৰে সমৃদ্ধ। ইয়াৰ ভাষাত সেই সময়ৰ কথিত ভাষাৰ স্বাভাৱিক ৰূপ প্ৰতিফলিত হৈছে। সৰল বাক্যগঠন, উপযুক্ত শব্দচয়ন আৰু ঘৰুৱা ভাষাৰ প্ৰয়োগে বুৰঞ্জীৰ গদ্যক জনসাধাৰণৰ ভাষাৰ অত্যন্ত ওচৰলৈ আনিছে। বিষয়বস্তু অধিক বোধগম্য আৰু আকর্ষণীয় কৰি তুলিবলৈ ইয়াত উপমা, ৰূপক, দৃষ্টান্ত, উপকথা, প্ৰবাদ-প্ৰবচন আৰু বিভিন্ন জতুৱা অভিব্যক্তিৰ প্ৰয়োগ দেখা যায়। এনে বৈশিষ্ট্যই বুৰঞ্জীৰ গদ্যক কেৱল ইতিহাসৰ নথি হিচাপে নহয়, সাহিত্যৰ এক মূল্যৱান সম্পদ হিচাপেও প্ৰতিষ্ঠা কৰিছে।

আহোম যুগত ৰচিত বুৰঞ্জীসমূহ তিনিটা বিশেষ কাৰণত গুৰুত্বপূর্ণ। প্ৰথমতে, ভাৰতীয় আঞ্চলিক ভাষাসমূহৰ সাহিত্যৰ ভিতৰত বুৰঞ্জী গদ্য এক স্বতন্ত্ৰ আৰু ব্যতিক্ৰমধর্মী সৃষ্টি। দ্বিতীয়তে, বুৰঞ্জীত সংৰক্ষিত ভাষাই সেই সময়ৰ সাধাৰণ জনতাৰ কথ্য ভাষা আৰু ৰাজদৰবাৰৰ ব্যৱহৃত ভাষাৰ

স্পষ্ট ছবি আগবঢ়ায়। তৃতীয়তে, এই বুৰঞ্জীসমূহত সমসাময়িক সমাজজীৱনৰ বিস্তৃত আৰু জীৱন্ত বৰ্ণনা পোৱা যায়। আহোমসকলৰ ঐতিহ্য, গৌৰৱ, কৃতিত্ব আৰু বংশবৃত্তান্তৰ মূল্যৱান তথ্য ইয়াত সযতনে সংৰক্ষিত হৈ আছে।

যদিও বুৰঞ্জীসমূহ পদ্য আৰু গদ্য দুয়োটা মাধ্যমতে ৰচিত হৈছিল, তথাপি গদ্যত লিখা বুৰঞ্জীবোৰে অসমীয়া গদ্য সাহিত্যৰ বিকাশত অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই অৱদান বিশেষকৈ দুটা দিশত লক্ষ্যণীয়।

প্ৰথমতে, বুৰঞ্জীৰ গদ্য মধ্যযুগীয় অসমীয়া গদ্যশৈলীৰ এক উৎকৃষ্ট নিদৰ্শন। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনত ব্যৱহৃত কথিত ভাষাক শৃঙ্খলিত আৰু সুসংগঠিত ৰূপত লিখিত ভাষালৈ ৰূপান্তৰিত কৰাৰ এক সফল প্ৰয়াস ইয়াত দেখা যায়। বুৰঞ্জীসমূহত সেই সময়ৰ সমাজত প্ৰচলিত ভাষাক স্বাভাৱিক ৰূপত ব্যৱহাৰ কৰি বিভিন্ন ঘটনা আৰু কাৰ্যকলাপ বৰ্ণনা কৰা হৈছে। বিশেষকৈ আহোম ৰজা, ডা-ডাঙৰীয়া আৰু সম্ভ্ৰান্ত ব্যক্তিসকলৰ জীৱনৰ উল্লেখযোগ্য ঘটনাবোৰ সমসাময়িক কথ্য ভাষাৰ মাধ্যমে লিপিবদ্ধ কৰা হৈছিল। এই গদ্যভাষাই পিছলৈ আধুনিক অসমীয়া গদ্যৰ বিকাশত যথেষ্ট সহায় কৰিছিল।

দ্বিতীয়তে, বুৰঞ্জীৰ ভাষা আৰু বাক্যৰীতি অত্যন্ত সহজ, স্বাভাৱিক আৰু অনাড়ম্বৰ। শঙ্কৰদেৱ আৰু ভট্টদেৱৰ দৰে পূৰ্বৱৰ্তী গদ্যলেখকসকল সংস্কৃত ভাষা আৰু সাহিত্যৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাছিল। শঙ্কৰদেৱৰ গদ্যত ব্ৰজাৱলীৰ প্ৰাধান্য দেখা যায় আৰু ভট্টদেৱৰ গদ্যত কথ্য ভাষাৰ সজীৱ ৰূপ খুব কমেই পোৱা যায়। তেওঁৰ ভাষা বহু ক্ষেত্ৰত কৃত্ৰিম আৰু গাম্ভীৰ্যপূৰ্ণ। গীতা আৰু ভাগৱতৰ দৰে দাৰ্শনিক বিষয়বস্তুৰ ব্যাখ্যা আগবঢ়াবলৈ গৈ তেওঁ সাধুভাষাৰ ওপৰত অধিক নিৰ্ভৰ কৰিছিল। একেদৰে শঙ্কৰদেৱৰ নাট্যভাষাও সমসাময়িক জনভাষাৰ পৰা যথেষ্ট দূৰত আছিল।

ইয়াৰ বিপৰীতে বুৰঞ্জীৰ ভাষা বৈয়াকৰণিক গঠন, শব্দভাণ্ডাৰ আৰু বাক্যৰীতিত যথেষ্ট স্বাধীন। ইয়াত দেশজ আৰু ঘৰুৱা শব্দৰ ব্যৱহাৰ অধিক পৰিমাণে দেখা যায়। বক্তব্য অধিক সৰল আৰু হৃদয়গ্ৰাহী কৰি তুলিবলৈ জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰবাদ-প্ৰবচন আৰু কথোপকথনধৰ্মী ভংগীৰ আশ্ৰয় লোৱা হৈছিল। ফলস্বৰূপে বুৰঞ্জীৰ গদ্য সমসাময়িক আন গদ্য সাহিত্যতকৈ অধিক জীৱন্ত আৰু মনোগ্ৰাহী হৈ উঠিছিল।

এই কাৰণেই বুৰঞ্জীৰ গদ্যই আধুনিক অসমীয়া গদ্য সাহিত্যৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ষোড়শ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ ৰচিত এই বুৰঞ্জীসমূহত সেই সময়ৰ অসমীয়া ভাষাৰ বাস্তৱ আৰু প্ৰচলিত ৰূপ সংৰক্ষিত হৈ আছে। ভাষাতাত্ত্বিক দৃষ্টিৰ পৰাও এইসমূহ অতি মূল্যৱান। আনকি মিছনেৰী যুগত প্ৰকাশিত 'অৰুনোদই'ৰ সহজ-সৰল গদ্যশৈলীৰ বিকাশতো বুৰঞ্জীৰ ভাষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

অসমীয়া ভাষাৰ গভীৰ জ্ঞান লাভ কৰিবলৈ বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা উল্লেখ কৰি ডঃ নাথান ব্ৰাউনে কৈছিল যে অসমীয়া ভাষাক সঠিকভাৱে বুজিবলৈ বুৰঞ্জীসমূহ অধ্যয়ন কৰাটো অত্যাৱশ্যক। একেদৰে ডঃ সূৰ্যকুমাৰ ভূঞাই বুৰঞ্জীৰ ভাষাক "শক্তিশালী অসমীয়া গদ্য" বুলি আখ্যা দি ইয়াৰ সাহিত্যিক আৰু ভাষাগত গুৰুত্ব বিশেষভাৱে স্বীকাৰ কৰিছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬: আহোম যুগত ৰচিত বুৰঞ্জীসমূহ কোন তিনিটা বিশেষ কাৰণত গুৰুত্বপূৰ্ণ?

.....

প্ৰশ্ন নং ৭: অসমীয়া গদ্য সাহিত্যৰ বিকাশত বুৰঞ্জীৰ প্ৰথম উল্লেখযোগ্য অৱদান কি?

.....

প্ৰশ্ন নং ৮: শঙ্কৰদেৱ আৰু ভট্টদেৱৰ গদ্যৰ তুলনাত বুৰঞ্জীৰ গদ্য কেনেদৰে পৃথক আছিল?

.....

প্ৰশ্ন নং ৯: ড° নাথান ব্ৰাউনে বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে কি মত প্ৰকাশ কৰিছিল?

.....

৯.৪ বুৰঞ্জীৰ গদ্যশৈলী

বুৰঞ্জীৰ গদ্যশৈলীৰ অন্যতম মুখ্য বৈশিষ্ট্য হ'ল ইয়াৰ বস্তুনিষ্ঠতা আৰু বিষয়নিষ্ঠতা। বুৰঞ্জীত বৰ্ণিত ঘটনাবোৰ সৰল, পোনপটীয়া আৰু অকৃত্ৰিমভাৱে উপস্থাপন কৰা হৈছে। এই গুণসমূহৰ বাবেই বুৰঞ্জীৰ গদ্যই আধুনিক অসমীয়া গদ্যৰ বিকাশত পথপ্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে বুলি ক'ব পাৰি। এই সন্দৰ্ভত ড° প্ৰফুল্ল কটকীৰ মন্তব্য বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ মতে, বুৰঞ্জীৰ ভাষাই অসমীয়া সাহিত্যৰ বিকাশৰ বীজ ৰোপণ কৰিছিল; পৰৱৰ্তী যুগত সেই বীজ অংকুৰিত হৈ ঊনবিংশ শতিকাত পূৰ্ণ বিকাশ লাভ কৰে।

শঙ্কৰদেৱৰ নাট্যগদ্য আৰু ভট্টদেৱৰ সংস্কৃতঘেঁষা গদ্যৰ তুলনাত বুৰঞ্জীৰ ভাষা অধিক সহজ, স্বাভাৱিক আৰু জীৱন্ত। যিহেতু বুৰঞ্জীসমূহ সমসাময়িক কথ্য ভাষাত লিখা হৈছিল, সেয়েহে ইয়াৰ উপস্থাপন ভংগী স্বাভাৱিক আৰু বোধগম্য। আনহাতে, বাস্তৱ ঘটনাৰ আধাৰত ৰচিত হোৱাৰ ফলত লেখকৰ ব্যক্তিগত পছন্দ-অপছন্দ, আবেগ বা কল্পনাৰ প্ৰভাৱ ইয়াত প্ৰায় অনুপস্থিত। এই কাৰণে বুৰঞ্জীত ব্যক্তি-নিৰপেক্ষ মনোভাৱ সুস্পষ্টভাৱে প্ৰকাশ পাইছে। সাহিত্যিক অলংকাৰৰ অতিৰিক্ত ব্যৱহাৰ আৰু ভাবপ্ৰৱণতাৰ প্ৰভাৱৰ পৰাও বুৰঞ্জীসমূহ যথেষ্ট পৰিমাণে মুক্ত।

বুৰঞ্জীৰ ৰচনাশৈলী সম্পৰ্কে হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰিছে যে ইয়াত অতিৰঞ্জন বা অপ্ৰয়োজনীয় বাগাড়ম্বৰ নাই; ভাষা সৰল, স্বচ্ছ আৰু নিৰ্ভীক। সত্য ঘটনাক গোপন কৰাৰ কোনো প্ৰচেষ্টা দেখা নাযায়। আনকি ৰাজপৰিয়ালৰ বাবে অস্বস্তিকৰ বিষয়সমূহো স্পষ্টভাৱে লিপিবদ্ধ কৰা হৈছে।

বুৰঞ্জীৰ গদ্য বিশ্লেষণ কৰিলে কেইবাটাও উল্লেখযোগ্য বৈশিষ্ট্য লক্ষ্য কৰা যায়।

১. সহজ আৰু সৰল ভাষা

অসমীয়া বুৰঞ্জীসমূহ সমসাময়িক কথ্য ভাষাত ৰচিত হোৱা বাবে ইয়াৰ ভাষা সহজ, সৰল আৰু স্বাভাৱিক। ইয়াত জটিল বা দ্ব্যৰ্থবোধক শব্দৰ ব্যৱহাৰ প্ৰায় নাই বুলিলেই চলে। ঘৰুৱা শব্দ আৰু সাধাৰণ বাক্যগঠনৰ সহায়ত ঘটনাবোৰ স্পষ্টভাৱে প্ৰকাশ কৰা হৈছে। ফলত পাঠকে কোনো অসুবিধা নোহোৱাকৈ বিষয়বস্তু বুজিব পাৰে। উদাহৰণস্বৰূপে—

"ইহঁতৰ সম কোনো নাই, ইহঁত অসম মানুহ। এই ৰূপে কৈ ফুৰোঁতে অসম নাম খ্যাত হ'ল দেখি, তেতিয়াৰ পৰা ৰজা ও লগত অহা প্ৰজা সকলকো অসম বুলিলে। এই অসমৰে দেশ হ'ল কাৰণ অসমৰ দেশ বোলে, ও আহম জাতিৰ বোলে।" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ১৩)

২. কথোপকথনধৰ্মী উপস্থাপন

বুৰঞ্জীৰ গদ্যত মাজে মাজে কথোপকথনমূলক ৰীতিৰ প্ৰয়োগ দেখা যায়। এই কথোপকথনসমূহে সমসাময়িক মানুহৰ কথনভংগী আৰু ভাষাৰ স্বাভাৱিক ৰূপ সংৰক্ষণ কৰিছে। ফলত ঘটনাবোৰ অধিক সজীৱ আৰু বাস্তৱধৰ্মী হৈ উঠিছে। উদাহৰণস্বৰূপে—

"তাতে স্বৰ্গদেৱে সুধিলে, "কোন কটকী আহিছে? তাতে আহম কটকীয়ে নাম পাহৰি ক'লে, বোলে গৰুৰ শিং এটা যে তললৈ যায়, সেই কটকী আহিছে। তাতে স্বৰ্গদেৱে কলে, "কি কয়?" অন্যান্যসকলে কলে, "গৰুৰ শিং তললৈ যোৱাকে পাতাল-শিঙ্গা গৰু বোলে।" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ৩৬)

৩. ৰাজকীয় কথনভংগীৰ উপস্থিতি

বুৰঞ্জীত আহোম ৰজা আৰু ৰাজবিষয়াসকলৰ মাজত চলা গাম্ভীৰ্যপূৰ্ণ সংলাপৰ নমুনা পোৱা যায়। এনে সংলাপসমূহে সেই সময়ৰ ৰাজদৰবাৰৰ ভাষা, শিষ্টাচাৰ আৰু ৰাজকীয় পৰিৱেশৰ আভাস দিয়ে। উদাহৰণস্বৰূপে—

"চিলাৰায়ে কৈ পঠালে, ৰাজাৰ পৱন নামে হাতী আৰু বাখৰ-পতা তৰোৱাল আৰু পাত্ৰ-মন্ত্ৰী সকলোৰে ল'ৰা একোটা তুলি দি বৰে যদি দেশ এৰি দি যাম। পাছে ৰজাদেৱে এই কথাতে পৱন নামে হাতী, তৰোৱাল, চুগম কোঁৱৰ আৰু বৰগোহাঞিৰ ভতিজাক আপচু গোহাঁইকে মুখ্য কৰি সকলোৰে ঘৰৰ ল'ৰা একোটি দিলত চিলাৰায়ে ৰাজাদেৱক দেশ এৰি দি আপোন দেশ কোচবেচাৰে গ'ল।" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ৩৩)

৪. নাটকীয় উপস্থাপন

প্ৰত্যক্ষ উক্তি আৰু সংলাপৰ ব্যৱহাৰৰ ফলত বুৰঞ্জীৰ গদ্যত নাটকীয়তা সৃষ্টি হৈছে। এই নাটকীয় কথনভংগীয়ে ঘটনাবোৰক অধিক প্ৰাণৱন্ত আৰু আকৰ্ষণীয় কৰি তুলিছে। পাঠকৰ মনত ঘটনাবোৰ যেন সজীৱভাৱে প্ৰতিফলিত হয়। উদাহৰণস্বৰূপে—

"পাছে কোঁৱৰে, হয়, আমাকে ধৰিবৰ কাৰণেই আহিছে, আহা দুই জনে পলাও। গাভৰুৱে বোলে মঞি সহিতে গলে তুমি ধৰা পৰিবা। এতেকে মই ইয়াতে থাকোঁ। মোৰ যি গতি হয় হব, যদি মই মৰোঁ, কি মোক মাৰে, তুমি আৰু দহ জনী স্ত্ৰী বিবাহ কৰাব পাৰিবা। তুমি বিহীন হলে আৰু কত হব?" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ৫৪)

৫. সংক্ষিপ্ত অথচ শক্তিশালী বৰ্ণনা

বুৰঞ্জীৰ গদ্যৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে সংক্ষিপ্ততা। দীঘলীয়া বৰ্ণনাৰ পৰিৱৰ্তে চুটি চুটি বাক্য আৰু সৰল বাক্যবিন্যাসৰ সহায়ত বিষয়বস্তু স্পষ্টভাৱে প্ৰকাশ কৰা হৈছে। এই সংক্ষিপ্ততাই গদ্যক অধিক প্ৰভাৱশালী কৰি তুলিছে। উদাহৰণস্বৰূপে—

"তৎপুত্ৰ নিফামাও ৰাজা হ'ল, ভোগ ৪০ বছৰ। তৎপুত্ৰ চুখুংফা ৰাজা হ'ল, ভোগ ৪১ বছৰ। তৎপুত্ৰ চুকাইফা ৰাজা হ'ল, ভোগ ৩৪ বছৰ। তৎপুত্ৰ চুহেনফা ৰাজা হ'ল, ভোগ ৩৩ বছৰ। তেওঁ মৰণান্তে তৎপুত্ৰ চুতাওফা ৰাজা হ'ল, ভোগ ৩২ বছৰ।" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ৯)

৬. সাহিত্যিক উপাদানৰ ব্যৱহাৰ

বুৰঞ্জীসমূহ কেৱল তথ্যভিত্তিক নথি নহয়; ইয়াত সাহিত্যিক সৌন্দৰ্যও বিদ্যমান। বক্তব্য অধিক আকৰ্ষণীয়, হৃদয়গ্ৰাহী আৰু বোধগম্য কৰি তুলিবলৈ উপমা, দৃষ্টান্ত, প্ৰবাদ-প্ৰবচন আদি সাহিত্যিক উপাদানৰ ব্যৱহাৰ কৰা হৈছে। উদাহৰণস্বৰূপে—

উপমা—

সৰু হৈ যা, লৰা লোৱাদি লব, বৰ নহবি, চিলা উৰুৱাদি উৰুৱাব।" (*তুঙখুঙীয়া বুৰঞ্জী*)

প্ৰবাদ-প্ৰবচন, দৃষ্টান্ত—

"একে হাবিতে দুটা মতা বাঘ, হাতী নাথাকে, একে পাটতে ৰজা দুটাও নাথাকে।" (*তুঙখুঙীয়া বুৰঞ্জী*, পৃ. ৫৩)

৭. আবেগ, দেশপ্ৰেম আৰু বীৰত্বৰ প্ৰকাশ

বুৰঞ্জীত কেৱল ৰাজনৈতিক ঘটনা বা যুদ্ধৰ বিৱৰণেই পোৱা নাযায়; ইয়াত সমসাময়িক ব্যক্তিসকলৰ আবেগ-অনুভূতি, দেশপ্ৰেম আৰু বীৰত্ববোধো সুন্দৰভাৱে প্ৰকাশ পাইছে। এনে উক্তিসমূহে কাহিনীক অধিক বাস্তৱধৰ্মী আৰু হৃদয়স্পৰ্শী কৰি তুলিছে। উদাহৰণস্বৰূপে—

"পাছে ৰাজাদেও কেকোৰাদোলাৰে আহি সিংহাসনত বহিলে তিনিজনা ডাঙ্গৰীয়া প্ৰভৃতি সকলোৱে আঠু চুঙ্গাই সেৱা কৰে। সেই ডাঙ্গৰ সভাত সকলোৱে জামা, পাগ আৰো বচোৱাল যাক যিমতে অলঙ্কাৰ পিন্ধিব ৰজাঘৰৰ দিছে, সেইমতে পিন্ধি সভাত আহে। মজুন্দাৰ বৰুৱাৰ পাগ, জামা, সোণৰ খাৰু, কাণত কৰ্ণবালা, পৰিধান কৰি ৰাজাক আঠু চুঙ্গাই চৌখাম কৰি কটকী তোলে। চাৰিওফালৰ লোকসকল নিশব্দ থাকে।" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ১৪৩)

৮. চিত্ৰধৰ্মী ভাষাৰীতি

বুৰঞ্জীৰ গদ্যত বহু ঠাইত চিত্ৰধৰ্মী প্ৰকাশভংগীৰ ব্যৱহাৰ দেখা যায়। এইধৰণৰ ভাষাই পাঠকৰ মনত দৃশ্যমান ছবি অংকন কৰে আৰু বৰ্ণিত বিষয়বস্তু অধিক প্ৰাণৱন্ত কৰি তোলে। উদাহৰণস্বৰূপে—

"কিন্তু গুৱাহাটীৰ দূৰ দেশ তাত বৰফুকনৰ কিছো একতিয়াৰ বঢ়া, আৰু দুয়ো জনাৰ পৰ্হিচাঙ্গী ও বানাতৰে আউঠি চুলাও দিয়ে। ও খেৰপাখি বিচনী, টুপীজাপি, দীঘল নলীয়া ঘূৰণীয়াৰে আগখৰা বিচনী, ছালকঠ বানাতৰ মচুলা, ৰূপৰ বেৰী দিয়া লাখুটি লয়।" (হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*, পৃ. ৯৬)

৯. মিশ্ৰিত ভাষাৰীতি

চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে আহোমসকলৰ কূটনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক থকাৰ ফলত বুৰঞ্জীৰ ভাষাত কেতিয়াবা মিশ্ৰ ভাষাশৈলীৰ প্ৰয়োগ দেখা যায়। বিভিন্ন আঞ্চলিক ভাষাৰ প্ৰভাৱে এই ভাষাৰীতিক অধিক বৈচিত্ৰ্যময় কৰি তুলিছে। উদাহৰণস্বৰূপে—

"কবুল কৰিছোঁ; লাও তল যাব, শিল উপঙ্গিব, কোৱা বগা হব, বগা ক'লা হব আৰু ব্ৰহ্মপুত্ৰ উভতি গতি কৰিব, তেবে কি মোৰ কবুল ছাৰিবে?" (*কছাৰী বুৰঞ্জী*)

১০. প্রত্যক্ষ উক্তিৰ সজীৱতা

বুৰঞ্জীত প্রত্যক্ষ উক্তিৰ ব্যৱহাৰ যথেষ্ট অধিক। ইয়াৰ ফলত ঘটনাবোৰ অধিক জীৱন্ত, স্বাভাৱিক আৰু বিশ্বাসযোগ্য হৈ উঠে। পাঠকে যেন ঘটনাস্থলীত উপস্থিত থাকি চৰিত্রসমূহৰ কথা শুনি থকা অনুভৱ কৰে। উদাহৰণস্বৰূপে—

মাকে বোলে, -"বাপেৰে দেখাওঁক গৈ।" (*কছাৰী বুৰঞ্জী*, পৃ. ৪)

জীয়েকে বোলে, -"মোৰ ভাগৰ লাগিছে।" (*কছাৰী বুৰঞ্জী*, পৃ. ৪)

পাচে লগৰবোৰে বোলে, -"ই আমাক কটা নিয়াব।" (*কছাৰী বুৰঞ্জী*, পৃ. ৫)

ৰজাই বোলে, -"তাৰ ঘৰতো বজাগৈ।" (*কছাৰী বুৰঞ্জী*, পৃ. ৬)

সকলোৱে বোলে, -"বাঁৰীৰ কোঁৱৰ।" (*কছাৰী বুৰঞ্জী*, পৃ. ৭)

বুৰঞ্জীৰ গদ্যশৈলী অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। ইয়াৰ সহজ-সৰল ভাষা, বস্তুনিষ্ঠ উপস্থাপন, কথোপকথনধর্মী ৰীতি, নাটকীয়তা, চিত্রধর্মিতা আৰু সাহিত্যিক উপাদানৰ সুষম প্রয়োগে ইয়াক স্বকীয় মর্যাদা প্রদান কৰিছে। একে সময়তে বুৰঞ্জীত সংৰক্ষিত সমসাময়িক সমাজজীৱন, দেশপ্রেম, ৰীৰত্ব আৰু মানৱীয় অনুভূতিয়ে ইয়াৰ সাহিত্যিক মূল্য বৃদ্ধি কৰিছে। সেয়ে বুৰঞ্জীৰ গদ্যই কেৱল অসমৰ ইতিহাস সংৰক্ষণ কৰাই নহয়, আধুনিক অসমীয়া গদ্যৰ বিকাশতো গভীৰ প্রভাৰ পেলাই এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ : ড° প্রফুল্ল কটকীৰ মতে বুৰঞ্জীৰ ভাষাৰ গুৰুত্ব কি?

.....

প্রশ্ন নং ১১: বুৰঞ্জীত ব্যক্তি-নিৰপেক্ষ মনোভাৱ কেনেদৰে প্রকাশ পাইছে?

.....

2 ৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আহোমসকলেই অসমৰ ইতিহাস লিখিত ৰূপত সংৰক্ষণ কৰাৰ পৰম্পৰা আৰম্ভ কৰিছিল।
- স্বর্গদেউ চুকাফাই অসমলৈ আহিয়েই ইতিহাস লিপিবদ্ধ কৰাৰ ব্যৱস্থা গ্রহণ কৰিছিল।
- আৰম্ভণিতে টাই ভাষাত বুৰঞ্জী লিখা হৈছিল যদিও ষোড়শ শতিকাৰ পৰা অসমীয়াতো বুৰঞ্জী ৰচনা আৰম্ভ হয়।
- চুহুংমুং দিহিঙ্গীয়া ৰজাৰ সময়ত অসমীয়া ভাষাই শাসনকার্যত বিশেষ মর্যাদা লাভ কৰিছিল।
- 'বুৰঞ্জী' শব্দৰ উৎপত্তি আৰু অর্থ সম্পর্কে বিভিন্ন পণ্ডিতে ভিন্ন ভিন্ন মত প্রকাশ কৰিছে।
- বুৰঞ্জীসমূহ অতীতৰ জ্ঞান, অভিজ্ঞতা আৰু ঐতিহ্য সংৰক্ষণৰ এক মূল্যৱান মাধ্যম আছিল। আহোম শাসন ব্যৱস্থাত বুৰঞ্জী ৰচনা আৰু সংৰক্ষণ এক গুৰুত্বপূর্ণ প্রশাসনিক দায়িত্ব আছিল।

- বুৰঞ্জীসমূহ সাধাৰণতে ৰাজকীয় আৰু ব্যক্তিগত— এই দুটা ভাগত বিভক্ত। বিশ্বেশ্বৰ বিদ্যাপতিৰ 'অসমৰ পদ্য বুৰঞ্জী' আৰু দুতিৰাম হাজৰিকাৰ 'কলি ভাৰত বুৰঞ্জী' উল্লেখযোগ্য পদ্য বুৰঞ্জী।
- 'দেওধাই অসম বুৰঞ্জী', 'তুংখুঙীয়া বুৰঞ্জী', 'ত্রিপুৰা বুৰঞ্জী', 'পাদশ্যাহ বুৰঞ্জী' আদি উল্লেখযোগ্য গদ্য বুৰঞ্জী।
- বুৰঞ্জীসমূহ বাস্তৱ ঘটনাৰ আধাৰত ৰচিত হোৱাৰ বাবে ইতিহাসবিদসকলে ইয়াক বিশ্বাসযোগ্য দলিল হিচাপে স্বীকৃতি দিছে।
- বুৰঞ্জীত সেই সময়ৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বিশদ বিৱৰণ সংৰক্ষিত আছে।
- বুৰঞ্জী কেৱল ইতিহাস নহয়, সাহিত্যিক গুণেৰে সমৃদ্ধ এক মূল্যৱান সাহিত্যধাৰাও।
- বুৰঞ্জীৰ ভাষা সহজ, সৰল, স্বাভাৱিক আৰু কথ্যভাষাৰ ওচৰ চপা।
- উপমা, ৰূপক, দৃষ্টান্ত, প্ৰবাদ-প্ৰবচন আৰু জতুৱা ঠাঁচৰ ব্যৱহাৰে বুৰঞ্জীৰ গদ্যক অধিক আকৰ্ষণীয় কৰি তুলিছে।
- বুৰঞ্জীৰ গদ্যই আধুনিক অসমীয়া গদ্য সাহিত্যৰ বিকাশত গভীৰ প্ৰভাৱ পেলাইছে।
- বস্তুনিষ্ঠতা, সংক্ষিপ্ততা, নাটকীয়তা, কথোপকথনধৰ্মী উপস্থাপন আৰু চিত্ৰধৰ্মী ভাষা বুৰঞ্জীৰ গদ্যশৈলীৰ উল্লেখযোগ্য বৈশিষ্ট্য।
- ড° নাথান ব্ৰাউন আৰু ড° সূৰ্যকুমাৰ ভূঞাই অসমীয়া ভাষা বুজিবলৈ বুৰঞ্জী অধ্যয়নৰ বিশেষ গুৰুত্ব স্বীকাৰ কৰিছে।

৯.৬ অধিক জানিবলৈ

কোঁৱৰ, অৰ্পনা (২০১০); *প্ৰাচীন অসমীয়া গদ্য-শৈলী*; ডিব্ৰুগড়ঃ বনলতা।

গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ*; গুৱাহাটীঃ বৰুৱা এজেন্সী।

গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য*; গুৱাহাটীঃ বনলতা।

দত্ত, শৰৎ কুমাৰ ((সম্পা.) (২০১০); *অসম বুৰঞ্জী*; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙনি;* গুৱাহাটীঃ বনলতা।

ভূঞা, সূৰ্য্য কুমাৰ (সম্পা.) (২০১০); *হৰকান্ত বৰুৱা সদৰামিনৰ অসম বুৰঞ্জী*; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

ভূঞা, সূৰ্য্য কুমাৰ (সম্পা.) (২০১০); *কছাৰী বুৰঞ্জী*; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্ৰকাশ।

Bhuyan, S.K. (ed.) (1933); *Tungkhungia Buranji*; Oxford University Press.

K ৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : অসমৰ ইতিহাস লিখিত ৰূপত সংৰক্ষণ কৰাৰ পৰম্পৰা আহোমসকলে আৰম্ভ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ : আহোমসকলে অসমত স্থায়ীভাৱে বসবাস কৰি স্থানীয় জনগোষ্ঠীৰ সৈতে সামাজিক আৰু বৈবাহিক সম্পর্ক গঢ়ি তুলি অসমীয়া ভাষা গ্রহণ কৰিছিল। ফলস্বৰূপে ষোড়শ শতিকাৰ পৰা টাই ভাষাৰ লগতে অসমীয়াতো বুৰঞ্জী ৰচনা আৰম্ভ হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ : হেমচন্দ্র গোস্বামীৰ মতে 'বু' মানে মূর্খ, 'ৰণ' মানে শিক্ষা আৰু 'জি' মানে ভঁৰাল। সেয়েহে বুৰঞ্জী হৈছে অজ্ঞ লোকৰ শিক্ষাৰ ভঁৰাল।

৪ নং প্রশ্নৰ উত্তৰ : বুৰঞ্জীসমূহ সাধাৰণতে ৰাজকীয় বুৰঞ্জী আৰু ব্যক্তিগত বুৰঞ্জী— এই দুটা ভাগত বিভক্ত।

৫ নং প্রশ্নৰ উত্তৰ : বুৰঞ্জীত কেৱল ইতিহাসৰ তথ্যই নহয়, ভাব, অনুভূতি, আবেগ আৰু সাহিত্যিক সৌন্দর্যবোধ প্রকাশ দেখা যায়। ইতিহাস আৰু সাহিত্যৰ সুন্দৰ সমন্বয় থকাৰ বাবে বুৰঞ্জীক সাহিত্য বুলিও গণ্য কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰ : আহোম যুগত ৰচিত বুৰঞ্জীসমূহ গুৰুত্বপূর্ণ, কাৰণ ই ভাৰতীয় আঞ্চলিক ভাষাৰ সাহিত্যত এক স্বতন্ত্র গদ্যধাৰা, সেই সময়ৰ কথ্য আৰু ৰাজদৰবাৰী ভাষাৰ প্রতিফলন আৰু সমসাময়িক সমাজজীৱনৰ বিস্তৃত বর্ণনা আগবঢ়ায়।

৭ নং প্রশ্নৰ উত্তৰ : বুৰঞ্জীৰ গদ্য মধ্যযুগীয় অসমীয়া গদ্যশৈলীৰ এক উৎকৃষ্ট নিদর্শন। ইয়াত সাধাৰণ মানুহৰ কথিত ভাষাক সুসংগঠিত ৰূপত লিখিত ভাষালৈ ৰূপান্তৰিত কৰা হৈছিল।

৮ নং প্রশ্নৰ উত্তৰ : শঙ্কৰদেৱ আৰু ভট্টদেৱৰ গদ্যত সংস্কৃত আৰু ব্রজাৱলী ভাষাৰ প্রভাৱ দেখা যায়। কিন্তু বুৰঞ্জীৰ গদ্য অধিক স্বাধীন, সহজ, কথ্যভাষানির্ভৰ আৰু দেশজ শব্দসমৃদ্ধ আছিল।

৯ নং প্রশ্নৰ উত্তৰ : ডঃ নাথান ব্রাউনৰ মতে, অসমীয়া ভাষাক সঠিকভাৱে বুজিবলৈ বুৰঞ্জীসমূহ অধ্যয়ন কৰাটো অত্যাৱশ্যক। বুৰঞ্জীত অসমীয়া ভাষাৰ বাস্তৱ আৰু প্রচলিত ৰূপ সংৰক্ষিত হৈ আছে।

১০ নং প্রশ্নৰ উত্তৰ : ডঃ প্রফুল্ল কটকীৰ মতে, বুৰঞ্জীৰ ভাষাই অসমীয়া সাহিত্যৰ বিকাশৰ বীজ ৰোপণ কৰিছিল। পৰৱর্তী যুগত সেই বীজ অংকুৰিত হৈ ঊনবিংশ শতিকাত পূর্ণ বিকাশ লাভ কৰে।

১১ নং প্রশ্নৰ উত্তৰ : বুৰঞ্জীসমূহ বাস্তৱ ঘটনাৰ আধাৰত ৰচিত হোৱাৰ বাবে ইয়াত লেখকৰ ব্যক্তিগত পছন্দ-অপছন্দ, আবেগ বা কল্পনাৰ প্রভাৱ প্রায় নাই। সেইবাবে বুৰঞ্জীত ব্যক্তি-নিৰপেক্ষ মনোভাৱ সুস্পষ্টভাৱে প্রকাশ পাইছে।

৯.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰসমূহৰ উত্তৰ লিখক

ক) চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্বকালত কোন ভাষাক কাৰ্যকৰী ভাষাৰ মৰ্যাদা দিয়া হৈছিল?

খ) বুৰঞ্জী লিখাৰ বাবে নিযুক্ত বিশেষ খেলটোৰ নাম কি আছিল?

গ) 'দেওধাই অসম বুৰঞ্জী' নামে কোনে প্ৰকাশ কৰিছিল?

ঘ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ ৰচক কোন?

ঙ) বুৰঞ্জীৰ ভাষাক "শক্তিশালী অসমীয়া গদ্য" বুলি কোনে আখ্যা দিছে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : 'জাতুৱা আহোম' বুলিলে কি বুজা হৈছিল?

প্ৰশ্ন ২ : বুৰঞ্জী সংৰক্ষণ আৰু শুদ্ধতা ৰক্ষাৰ দায়িত্ব কাক দিয়া হৈছিল?

প্ৰশ্ন ৩ : আহোম বুৰঞ্জীৰ আৰম্ভণিতে পালন কৰা এটি সাহিত্যিক পৰম্পৰাৰ উল্লেখ কৰা।

প্ৰশ্ন ৪ : ৰাজকীয় বুৰঞ্জীত কি কি বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল?

প্ৰশ্ন ৫ : বুৰঞ্জীৰ গদ্যত প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰে কি প্ৰভাৱ পেলাইছে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : অসমীয়া ভাষাত বুৰঞ্জী ৰচনাৰ বিকাশৰ পটভূমি আলোচনা কৰা।

প্ৰশ্ন ২ : বুৰঞ্জীসমূহৰ সংৰক্ষণ, প্ৰণয়ন আৰু অধ্যয়ন ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা।

প্ৰশ্ন ৩ : বুৰঞ্জীক ইতিহাস আৰু সাহিত্য—উভয়ৰ মূল্যৱান সম্পদ বুলি কিয় কোৱা হয়, আলোচনা কৰা।

প্ৰশ্ন ৪ : অসমীয়া গদ্য সাহিত্যৰ বিকাশত বুৰঞ্জীৰ অৱদান মূল্যায়ন কৰা।

প্ৰশ্ন ৫ : বুৰঞ্জীৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ বিশদভাৱে আলোচনা কৰা।
